# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-10-2024
**Time :** 17-15 Hrs.

# Assamese Evening Bulletin
**::::::::::::::::::::::::::::::::::**

ৰাজ্যত আজিৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰে। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, নিযুত মইনা আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে পৰৱৰ্তী তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বি. এডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব।

আজি খানাপাৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিযুত মাইনা আঁচনিৰ অধীনত চেক বিতৰণ কাৰ্যসূচী উদ্বোধন কৰাৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন জিলাসমূহতো আঁচনিখনৰ অধীনত চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। ঢেকিয়াজুলিৰ ভোটপাৰা ষ্টেডিয়ামত এই উদ্দেশ্যে আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী অশোক সিংহালে অংশগ্ৰহণ কৰে। কলিয়াবৰত মন্ত্ৰী কেশৱ মহন্তই আঁচনিখনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বিপৰীতে বাক্সা জিলাৰ সদৰ মুছলপুৰত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই নিযুত মইনা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইফালে, বাক্সা জিলাৰ শালবাৰীত চেক বিতৰণ কাৰ্যসূচীত বিটিচিৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ জয় মুছাহাৰীও অংশগ্ৰহণ কৰে।

শোণিতপুৰ জিলাতো এই আঁচনিৰ জৰিয়তে ৫ হাজাৰৰো অধিক ছাত্ৰীলৈ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। মাজুলীতো প্ৰায় ১৫ হাজাৰ ছাত্ৰীলৈ নিযুত মইনা আঁচনিৰ অনুদান আগবঢ়োৱা হয়। ছাত্ৰীসকলে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে খানাপাৰাত নিযুত মইনা আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানতো অংশগ্ৰহণ কৰে। তামুলপুৰ, গোৰেশ্বৰ, গোৱালপাৰা, শিৱসাগৰ, আমগুৰি, নাজিৰা, ডিমৌ, বৰপেটা, নগাওঁ ইত্যাদি ঠাইসমূহতো আজি নিযুত মইনা আঁচনিৰ অনুদান আগবঢ়োৱা হয়।

বাইট

০০০০

কেন্দ্ৰীয় বস্ত্ৰ আৰু বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই গ্ৰেনেডাত ভাৰতীয় প্ৰব্ৰজনকাৰীৰ সৈতে এক অনুষ্ঠানত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অংশ লৈ সাংস্কৃতিক উদযাপন আৰু ঐতিহ্যৰ গভীৰ অনুভূতিয়ে ভাৰত আৰু গ্ৰেনেডাৰ মাজৰ শক্তিশালী বন্ধনক উজ্বল কৰি তুলিছিল বুলি মন্তব্য কৰে। তেওঁ লগতে সমাজলৈ ভাৰত গ্ৰেনেডিয়ান সম্প্ৰদায়ৰ অৱদানৰ বাবে গৌৰৱান্বিত বুলিও প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, মন্ত্ৰীগৰাকীয়ে ভ্ৰমণকালত গ্ৰেনেডা গণৰাজ্য সংসদীয় অধিবেশনত দৰ্শক হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে শ্ৰীমাৰ্ঘেৰিটাই গ্ৰেনেডিয়ান চিনেটৰ সভাপতি আৰু হাউচ অৱ ৰিপ্ৰেজেনটেটিভৰ অধ্যক্ষক সাক্ষাৎ কৰি আলোচনা মিলিত হয়। ইয়াৰ পাছত তেওঁ দেশখনৰ প্ৰধানমন্ত্ৰী ডিকন মিচ্ছেলৰ সৈতেও চেণ্ট জৰ্জেছ চহৰত দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰে।

০০০০

গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বামুণপাৰাত দুধনৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছে। নেৰানেপেৰা বৰষুণৰ ফলত নৈখনৰ পানী উফন্দি উঠাত বান্ধ চিগি বামুণপাৰা গাঁৱৰ লগতে বাকাইটাৰী আৰু নন্দেশ্বৰ গাঁও প্লাৱিত হৈছে। বানৰ ফলত নন্দেশ্বৰ-দৰংগিৰি সংযোগী পথটো চিগি যোৱাত দুয়োটা অঞ্চলৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈছে। এছ ডি আৰ এফে অঞ্চলটোত আবদ্ধ লোকসকলক উদ্ধাৰৰ বাবে আজি অভিযান চলায়। জিলাখনত মেঘালয়ৰ পৰা নামি অহা ঢলে বিভিন্ন অঞ্চল বুৰাই পেলাইছে।

০০০০

ভাৰতীয় ৰেলৱেই উৎসৱৰ বতৰত যাত্ৰীৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ৪০০খন বিশেষ ৰেল মুকলি কৰিছে। নৱৰাত্ৰিৰ পৰা ষট্ পূজালৈ এই উৎসৱৰ সময়ছোৱাত বিশেষ ৰেলসমূহে ৫ হাজাৰ ৯৭৫টা যাত্ৰা সম্পূৰ্ণ কৰিব। যোৱা বছৰো ৰেল বিভাগে উৎসৱৰ বতৰত ৪ হাজাৰ ৪২৯টা ৰেল যাত্ৰা কৰাইছিল। যাত্ৰীৰ সংখ্যা আৰু বৃদ্ধি হ'লে ৰেলৰ যাত্ৰাৰ সংখ্যা বৃদ্ধি কৰা হ'ব বুলি ৰেল মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় ৰেলৱেই উৎসৱৰ সময়ছোৱাত ২৭৮খন ৰেল চলাচল কৰোৱাব। আনহাতে, উত্তৰ ৰে'লৱেই উৎসৱৰ বতৰত ১৩৮খন ৰেল চলাচল কৰাব। তদুপৰি যাত্ৰীসকলৰ সুবিধাৰ বাবে বিশেষ ৰেলৰ উপৰি চলি থকা ১০৮খন ৰেলত অতিৰিক্ত দবা সংযোজন কৰাৰ বিষয়ে ঘোষণা কৰিছে।

০০০০

সমাপ্ত